# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-SEP-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমীত কালৰাত্ৰি ৰূপত দেৱীক পূজা অৰ্চনা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজাত দেৱীৰ আশীষ গ্ৰহণ।

২। জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ গৃহ মন্ত্ৰালয়ক ৰাজ্য চৰকাৰৰ আবেদন।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ ক্ষেত্ৰত পৰৱৰ্তী দুই-তিনিদিন অতি গুৰুত্বপূৰ্ণ বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। কোকৰাঝাৰ আৰু পশ্চিমবংগৰ বানৰহাটৰ পৰা ভূটান সংযোগী ৰে'ল প্ৰকল্পই দেশৰ অৰ্থনৈতিক উন্নয়নত বিশেষ ভূমিকা ল'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ।

**আৰু**

৫। বৰ্ষাপাৰাত কাইলৈ আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেল।

ooooo

আজি শাৰদীয় দুৰ্গাপূজাৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। আজি দেৱীক কালৰাত্ৰি ৰূপত পূজা-অৰ্চনা কৰা হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা আধ্যাত্মিকতা ৰক্ষা কৰি দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ সপ্তমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। আজি জনগণৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত দেৱালয়ৰ দলৈ নলিনী শৰ্মাই বন্তি প্ৰজ্বলন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত দেৱীৰ আশীষ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মহানগৰীৰ ২৯ খন পূজা মণ্ডপত সেৱা লোৱাৰ কথা।

**শিৱসাগৰ** জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে শাৰদীয় পূজা অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে, এই দৌলত মহা অষ্টমীৰ প্ৰথম প্ৰসাদ নাগাৰা বজোৱা দৌল্লা পৰিয়াল আৰু কনচেং বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা আগবঢ়োৱাৰ ৰজাদিনীয়া পৰম্পৰা দৌল উন্নয়ন সমিতিয়ে এতিয়াও অক্ষুণ্ণ ৰাখিছে। শিৱসাগৰ নগৰৰ থানামুখৰ বাৰেঘৰীয়া মছজিদৰ কাষত ৬৫ বছৰ ধৰি নৱযুৱক দুৰ্গোৎসৱ সমিতিয়ে এখন পূজাৰ আয়োজন কৰি আহিছে। ধৰ্মীয় সহিষ্ণুতা আৰু উদাৰতাৰ পৰিচয় দিয়া এই সমিতিয়ে নামাজৰ সময়ত ইছলামধৰ্মী লোকৰ নামাজৰ সুবিধা হোৱাকৈ তেওঁলোকৰ বিভিন্ন কাৰ্যসূচী বন্ধ ৰাখে। এইবছৰ সমিতিখনে জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰিছে। এই সন্দৰ্ভত আয়োজক বিষ্ণু শৰ্মাই এইদৰে কয়-

**বাইট**

জিলাখনত সৰ্বমুঠ ২৫ খন ৰাজহুৱা পূজা অনুষ্ঠিত হৈছে।

**ডিব্রুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ অসমীয়া ৰীতি-নীতিৰে পালন কৰা হৈছে। ডিব্রুগড়ৰ পূৰ্ণানন্দ পথত থকা জ্ঞানদায়িনী দুৰ্গা পূজাথলীত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সেৱা জনায়।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে। আজি সপ্তমীৰ দিনা বিভিন্ন পূজা মণ্ডপত ভক্তৰ সমাগম পৰিলক্ষিত হয়। কেইবাখনো পূজা সমিতিয়ে সুন্দৰ আৰ্হিৰে মণ্ডপ নিৰ্মাণ কৰি ভক্তসকলক আকৰ্ষিত কৰিছে। সকলো মণ্ডপতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

**নলবাৰী** জিলাৰ ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়ত হাতীৰে আদৰি আনি কালি দেৱীক প্ৰতিষ্ঠা কৰা হয়। আজি পৰম্পৰাগত ৰীতিৰে সপ্তমী পূজা অনুষ্ঠিত হয়। **গোৱালপাৰা** জিলাৰ বিভিন্ন প্ৰান্ততো কালি ষষ্ঠী উপলক্ষে পূজাৰ বেদীত দেৱী প্ৰতিমা স্থাপন কৰি শক্তিৰূপিনী দেৱীৰ আৰাধনা কৰা হয়। **ধুবুৰী** জিলাৰ শতাধিক পূজাথলীত এইবাৰ দেৱীক আৰাধনা কৰা হৈছে। জিলাখনৰ ৪০৪ বছৰীয়া গৌৰীপুৰৰ ৰজাঘৰীয়া দুৰ্গোৎসৱ, বিলাসীপাৰাৰ জমিদাৰবাৰীৰ অষ্টভূজা পূজা আৰু ৪১৩ বছৰীয়া বগৰীবাৰীৰ মা মহামায়া শক্তিপীঠত আজি পাৰম্পৰিক ৰীতি-নীতিৰে সম্পূৰ্ণ বৈদিক প্ৰথাত সপ্তমী পূজাৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ ৪৩ খন ঠাইত শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে। আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

**বাইট**

মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে কালি এজাহাৰ দাখিল কৰাৰ পাছত আজি জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ ন্যায় বিচাৰে আৰু তদন্ত প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখিছে। ছিংগাপুৰৰ ৰহস্যজনক দ্বীপটোলৈ জুবিন গাৰ্গক কিয় লৈ যোৱা হৈছিল আৰু কি পৰিস্থিতিত এই ঘটনা ঘটিবলৈ পালে এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁ পোৱা উচিত বুলিও শ্ৰীমতী গাৰ্গে মন্তব্য কৰে।

**ভইচ**

শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিয়ে আজি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামী, অভিনেত্ৰী নিশিতা গোস্বামী আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে। আটাইকেইজনে আৰক্ষীক জেৰাৰ সময়ত সহযোগ কৰিছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি তেওঁৰ

কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সোণাপুৰৰ কমাৰকুছিত শিল্পীগৰাকীৰ শেষকৃত্যথলীত আজি সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। অহা ১ অক্টোবৰত যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ভূটানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰি তোলাৰ বাবে অসমৰ কোকৰাঝাৰৰ পৰা গেলেফু আৰু পশ্চিমবংগৰ বানৰহাটৰ পৰা চামছে সংযোগী দুটা ৰে'ল প্ৰকল্প ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ৪ হাজাৰ ৩৩ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্প দুটাৰ ফলত দুয়োদেশে লাভৱান হ'ব বুলি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত বিদেশ সচিব বিক্ৰম মিশ্ৰীৰ সৈতে এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কোকৰাঝাৰৰ পৰা গেলেফু সংযোগী ৬৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথছোৱা নিৰ্মাণৰ বাবে ৩ হাজাৰ ৪৫৬ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। একেদৰে ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ বানৰহাট ছামছে ৰে'ল প্ৰকল্পৰ বাবে ৫৭৭ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এই সমগ্ৰ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিদেশ সচিব শ্ৰী মিশ্ৰীয়ে এই প্ৰসংগত কয়, যে প্ৰথমবাৰৰ বাবে ভূটানৰ সৈতে এনেধৰণৰ ৰে'ল প্ৰকল্প নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। বিগত বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূটান ভ্ৰমণ কালত এই সন্দৰ্ভত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে সুৰক্ষাজনিত দিশৰ লগতে সাংস্কৃতিক আৰু ঐতিহাসিক কালৰেপৰা দেশ দুখনৰ জনসাধাৰণৰ মাজত থকা মৈত্ৰীৰ বান্ধোন শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰকল্প দুটাই বিশেষভাৱে সহায় কৰিব। ভাৰতে ভূটানৰ উন্নয়নমূলক কাৰ্যকলাপত বিশেষভাৱে অৰিহণা যোগাই আহিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে আন্তঃগাঁথনি আৰু অৰ্থনৈতিক উন্নয়নৰ দিশত এই প্ৰকল্প দুটাই গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

ooooo

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত কাইলৈ আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। ভাৰত আৰু শ্ৰীলংকাৰ দুয়োটা দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে সদৰি কৰিছে।

গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ বাবে কাইলৈ যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই সংবাদমেলযোগে এইদৰে কয়।

**বাইট (জয়ন্ত সাৰথি বৰা)**

আজি জাৰি কৰা নিৰ্দেশনা অনুসৰি বি কে কাকতি ৰোড, এ কে আজাদ ৰোড, এ কে দেৱ ৰোড, কুল বসুমতাৰী ৰোড, ড০ ভূপেন হাজৰিকা ৰোড, ৰাজীৱ গান্ধী ৰোডৰ জ্যোতিকুছি পৰ্যন্ত, দক্ষিণগাঁও তিনিআলিৰ পৰা লালগণেশলৈ বাণিজ্যিক সামগ্ৰী কঢ়িয়াই নিয়া বাহনৰ চলাচল পুৱা ১১ বজাৰ পৰা মাজনিশা ১২ বজালৈ বন্ধ থাকিব। পুৱা ১১ বজাৰ পৰা কেৱল অনুমতি থকা বাহনসমূহহে লালগণেশ তিনিআলিৰ পৰা চাইকেল ফেক্টৰী তিনিআলিলৈ যাব পাৰিব। লখৰা চাৰিআলিৰ পৰা আৰ্যনগৰ অভিমুখে যোৱা বাহনসমূহ লালগণেশ তিনিআলিত পথ সলনি কৰোৱা হ'ব। ধীৰেণপাৰা তিনিআলিৰ পৰা বৰ্ষাপাৰা তিনিআলি অভিমুখে কোনো যান-বাহন চলাচল কৰিব নোৱাৰিব।

খেল শেষ হোৱাৰ পাছত ষ্টেডিয়ামৰ ভিতৰত ৰখাই থোৱা বাহনবোৰ ধীৰেণপাৰা তিনিআলি বা বৰ্ষাপাৰা তিনিআলি অভিমুখে যাব পাৰিব। ধীৰেণপাৰা তিনিআলিৰ পৰা গড়চুক আৰু ফটাশিল আমবাৰীৰ ফালে যাব পাৰিব। বৰ্ষাপাৰা বা ধীৰেণপাৰাৰ পৰা কুল বসুমতাৰী ৰোডত কোনো যান-বাহন চলাচল কৰিব নোৱাৰিব।

ooooo

কালি দেহাৱসান ঘটা অসমীয়া চলচ্চিত্ৰৰ প্ৰযোজক, পৰিচালক, তিমথি দাস হাঞ্চেৰ পাৰ্থিৱ শৰীৰ আজি কাৰ্বি আংলং জিলাৰ ডিফুৰ ৰংমংৰেস্থিত বাসগৃহলৈ লৈ যোৱা হয়। ১৯৮৫ চনত শ্বেৰ আলাং নামৰ কাৰ্বি চলচ্চিত্ৰৰে চলচ্চিত্ৰ জীৱন আৰম্ভ কৰা পৰিচালকগৰাকীক শেষ বিদায় জনাবলৈ আজি তেওঁৰ বাসগৃহত বহু লোক সমবেত হয়। কাইলৈ ডিফুৰ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি জানিব পৰা গৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিসালয়ত কালি তিমথি দাস হাঞ্চেৰ দেহাৱসান ঘটিছিল।

০০০০০

ৰাজ্য চৰকাৰৰ স্বচ্ছ ভাৰত অভিযান গ্ৰামীণ, জনস্বাস্থ্য কাৰিকৰী বিভাগ অসমৰ দ্বাৰা ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী গাঁওসমূহত প্ৰচাৰ অভিযান চলোৱা হয়। আৱৰ্জনাৰ সঠিক নিষ্কাষণ কৰি গাঁওসমূহ স্বচ্ছ কৰি ৰখাৰ সজাগতা সৃষ্টিৰ বাবে এই প্ৰচাৰ অভিযান চলোৱা হয়।

০০০০০

ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলেই আজি ঢকুৱাখনা সমজিলাৰ বেবেজীয়া চাৰিআলিত অনুষ্ঠিত দুৰ্গা পূজা সমিতিক চেক প্ৰদান কৰে। ৰাজ্য চৰকাৰে দুৰ্গা পূজা সমিতিসমূহলৈ আগবঢ়োৱা আৰ্থিক সাহায্যৰ সৈতে সংগতি ৰাখি বিধায়কগৰাকীয়ে আজি এই সাহায্য প্ৰদান কৰে। শ্ৰীদলেই দেৱীৰ চৰণত পূজা-অৰ্চনা কৰে আৰু সকলোৰে কুশল-মংগল কামনা কৰে।

০০০০০

যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে জিলাখনত দুৰ্গা পূজাৰ সময়ত শান্তি-শৃংখলা আৰু অন্যান্য যাৱতীয় ব্যৱস্থা নিশ্চিত কৰিবলৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে বিভিন্ন স্থান পৰিদৰ্শন কৰে। জিলাখনৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ পৰ্যাপ্ত স্বেচ্ছাসেৱক, চিচিটিভি, পূজাস্থলীৰ নিৰাপত্তা আৰু অগ্নিনিৰ্বাপক সঁজুলিৰ লগতে জৰুৰীকালীন ব্যৱস্থা সম্পৰ্কেও আয়ুক্তগৰাকীয়ে বুজ লয়।

০০০০০

যোৰহাট জিলা বেডমিণ্টন সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, বেডমিণ্টনৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰেফাৰী, প্ৰশিক্ষক বিমল ফুকনৰ হৃদৰোগত আক্ৰান্ত হৈ যোৰহাট খ্ৰীষ্টিয়ান মিছন হাস্পতালত আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। যোৰহাট জিলা বেডমিণ্টন সন্থাই তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত